# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-04-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
- - - - - - - - - - - - - -
## *Headlines*
--------

১। পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীৰ ব্যাপক প্ৰচাৰ অব্যাহত। ডিব্ৰুগড়ৰ টিংখাঙত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচাৰ।

২। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দি আক্ৰমণকাৰীক উচিত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সকীয়নি।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ত দুখনকৈ উৰণ সেতু ৰাইজৰ বাবে মুকলি।

৪। নৰৱেৰ ৰাষ্ট্ৰদূতৰ নেতৃত্বত অহা এটা প্ৰতিনিধি দলৰ নগাঁৱত ৰূপায়িত হৈ থকা এনাক্ট-আছাম প্ৰকল্পৰ ক্ষেত্ৰ পৰিদৰ্শন।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দিল্লীত হ'বলগীয়া খেলত ডেলহী কেপিটেলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ মুখামুখি।

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মায়ো প্ৰতিদিনে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ডিব্ৰুগড়ত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই জিলাখনৰ টিংখং বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। এই উপলক্ষে টিংখং উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত বিজয় সংকল্প সভাত তেওঁ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজক আহ্বান জনায়। এই নিৰ্বাচনী সভাত মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকনৰ লগতে জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিৰ বিধায়ক, জিলা সভাপতি, সম্পাদক উপস্থিত থাকে।

শিৱসাগৰ নগৰৰ সমীপৰ দৰিকাপাৰ নাওজান গাঁৱত মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পীযূষ হাজৰিকাই নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপি নেতা হাজৰিকাই পঞ্চায়ত নিৰ্বাচনত বিজেপি আৰু মিত্ৰদল অসম গণ পৰিষদৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজলৈ আহ্বান জনায়। প্ৰচাৰ সভাত সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, বিধায়ক সুশান্ত বৰগোহাঁই উপস্থিত থাকে।

শিক্ষামন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডা০ ৰণোজ পেগুৱে আজি ধেমাজিৰ দিৰপাই মহৰীকেম্প, চিচিবৰগাঁৱৰ যোৰকটা আৰু মাছখোৱাত নিৰ্বাচনী প্ৰচাৰ চলায়। নেতাগৰাকীয়ে মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজক আহ্বান জনায়।

মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা জয়ন্ত মল্লবৰুৱাই আজি বৰপেটা জিলাত তিনিখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰী শ্ৰীমল্লবৰুৱাই বামুন্দী, সাতভনীৰটুপ আৰু চেনিমাৰিত প্ৰচাৰ চলাই বিজেপি আৰু মিত্ৰদল অগপ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজক আহ্বান জনায়।

অহা ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে কামৰূপ জিলাত ৰাজনৈতিক দলসমূহে তীব্ৰ প্ৰচাৰ চলাইছে। ৰঙিয়া বিধানসভা সমষ্টিত নতুনকৈ গঠন হোৱা হাজো সাতডলাত
বিধায়ক ভবেশ কলিতাই বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কমলপুৰ বিধানসভা সমষ্টিত বিধায়ক দিগন্ত কলিতাই বিজেপি আৰু মিত্ৰদল অগপৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। কামৰূপ জিলাত পঞ্চায়ত ৱাৰ্ড সদস্য প্ৰাৰ্থীৰূপে অৱতীৰ্ণ হোৱাত প্ৰতিজন সদস্য ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে।

শোণিতপুৰৰ বৰচলাত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

ধেমাজি জিলাত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে দলীয় প্ৰাৰ্থীৰ হৈ ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায়। বিজেপি মিত্ৰজোঁটক উৎখাত কৰাৰ স্বাৰ্থত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীক ভোট দিবলৈ লুৰীণজ্যোতি গগৈয়ে আহ্বান জনায়। অসম জাতীয় পৰিষদৰ নেতাজনে প্ৰায় ৫০ কিলোমিটাৰ মটৰচাইকেল সমদলত অংশগ্ৰহণ কৰি বিৰোধী সমৰ্থিত প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

ooooo

পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিভিন্ন জিলা প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। গোলাঘাট জিলা প্ৰশাসনেও নিৰ্বাচন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ ফৰকাটিং মহাবিদ্যালয়ত পঞ্চায়ত নিৰ্বাচনৰ বাবে অনুষ্ঠিত প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। জিলা প্ৰশাসনৰ প্ৰস্তুতি সন্দৰ্ভত গোলাঘাটৰ আমাৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয়—

**-- ভইচ –**

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দি আক্ৰমণকাৰীক উচিত প্ৰত্যুত্তৰ দিয়া হব বুলি সকিয়াই দিছে। আকাশবাণীৰ আজিৰ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি এইদৰে কয়। তেওঁ কয়, যে এই আক্ৰমণৰ দ্বাৰা আক্ৰমণকাৰীসকলে কাপুৰুষালিৰ পৰিচয় দিছে। শ্ৰীমোদীয়ে এই সন্ত্ৰাসবাদৰ বিৰুদ্ধে দেশৰ জনতা একগোট হোৱাৰ লগতে বিশ্বৰ ১৪০ খন দেশে ভাৰতৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰাটোক দেশৰ বাবে শক্তিদায়ক বুলি অভিহিত কৰে। তেওঁ লগতে কয়, যে দেশৰ জনসাধাৰণে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুঁজ দিবলৈ সংকল্প লোৱাটোৱেই এই একতাৰ ভেঁটি।

দুদিন পূৰ্বে দেহাৱসান ঘটা ইছৰোৰ প্ৰাক্তন অধ্যক্ষ ড০ কে কস্তুৰীৰংগনৰ স্মৃতি সুঁৱৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশে এগৰাকী মহান বিজ্ঞানীক হেৰুৱালে।

যোৱা মাহত ম্যানমাৰত হোৱা বিধ্বংসী ভূমিকম্পৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে ভাৰতে অপাৰেচন ব্ৰহ্মৰ জৰিয়তে তাৎক্ষণিকভাৱে দেশখনলৈ সাহায্য সামগ্ৰী পঠোৱাৰ লগতে উদ্ধাৰ অভিযানতো সহায় কৰিছে।

ইথিঅ'পিয়া আৰু আফ্ৰিকাত বাস কৰা ভাৰতীয় মূলৰ লোকসকলৰ উদ্ভাৱনীমূলক প্ৰচেষ্টাৰ শলাগ লৈ তেওঁ কয়, যে তেওঁলোকে জন্মৰে পৰা হাওঁফাওঁৰ সমস্যাত ভোগা শিশুসকলক চিকিৎসাৰ বাবে ভাৰতলৈ পঠিয়াই আহিছে। এনে বহু শিশুক ভাৰতীয় মূলৰ বহু পৰিয়ালে আৰ্থিকভাৱেও সহায় আগবঢ়াইছে।

কিছুদিন পূৰ্বে ভাৰতে আফগানিস্তানলৈ বৃহৎ পৰিমাণৰ প্ৰতিষেধক পঠিওৱাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এই সপ্তাহতে ভাৰতে নেপালৰ অনুৰোধত দেশখনলৈ যথেষ্ট পৰিমাণৰ প্ৰতিষেধক পঠিয়াইছে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সজাগতা অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি বান, ধুমুহা, ভূমিস্খলনকে ধৰি যিকোনো প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত জনসাধাৰণৰ সহায় হোৱাকৈ ছছেট এপ মুকলি কৰাৰ কথাও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

মাতৃৰ নামত এটা গছপুলি ৰোপন অভিযানৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে এই অভিযানৰ অধীনত বৰ্তমানলৈ ১৪০ কোটিতকৈও অধিক গছপুলি ৰোৱা হৈছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত দুখন উৰণ সেতু মুকলি কৰে। পুৰণি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে কনভয় ৰোডৰ সংযোগস্থলত ড০ লীলা গগৈ উৰণ সেতু আৰু মানকাটা পথৰ থানা চাৰিআলিত বাগ্মীবৰ নীলমণি ফুকন উৰণ সেতু ৰাইজৰ বাবে মুকলি কৰে। ৫৬ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ড০ লীলা গগৈ উৰণ সেতুৰ মুঠ দৈৰ্ঘ্য প্ৰায় ৬১৫ মিটাৰ। ৬০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা বাগ্মীবৰ নীলমণি ফুকন উৰণ সেতুৰ মুঠ দৈৰ্ঘ্য প্ৰায় ৪৫০ মিটাৰ। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকে।

ooooo

ৰাজ্যত চলিত বৰ্ষৰ প্ৰথম চাৰি মাহত ১১ হাজাৰৰো অধিক ৰেচন কাৰ্ড বাতিল কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱা বিতৰণ বিভাগৰ তথ্যত এই কথা প্ৰকাশ পাইছে। বিভাগে প্ৰকাশ কৰা মতে জানুৱাৰীত অন্ত্যোদয়া অন্ন যোজনাৰ অধীনৰ ৩১ খন আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়াল আঁচনি অধীনৰ ৮৮৯ খন কাৰ্ড বাতিল কৰা হৈছে। একেদৰে ফেব্ৰুৱাৰীত অন্ত্যোদয়া অন্ন যোজনাৰ অধীনৰ ২২৮ খন আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়াল আঁচনি অধীনৰ ৪ হাজাৰ ৬৯২ খন কাৰ্ড বাতিল কৰা হৈছে। ইয়াৰোপৰি মাৰ্চত অন্ত্যোদয়া অন্ন যোজনাৰ অধীনৰ ৯১ খন আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়াল আঁচনি অধীনৰ এহেজাৰ ৬৬৭ খন কাৰ্ড বাতিল কৰা হৈছে। ৰাজ্যত এই মাহত বৰ্তমানলৈকে উভয় শিতানৰ ৪ হাজাৰ ৬১ খন ৰেচন কাৰ্ড বাতিল কৰা হৈছে। সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰীক্ষাত অবৈধ বুলি প্ৰমাণিত হোৱাৰ বাবে এই কাৰ্ডসমূহ বাতিল কৰা হৈছে।

ooooo

সেনা বাহিনীক অত্যাধুনিক কৰি তোলাৰ বাবে চৰকাৰে এটা বেংক একাউণ্ট মুকলি কৰা বুলি বিভিন্ন সামাজিক মাধ্যমত বিয়পি পৰা এটা বাৰ্তা ভুৱা বুলি চৰকাৰে প্ৰকাশ কৰিছে। প্ৰেছ ইনফৰমেশ্বন ব্যুৰোৰ

সত্যতা নিৰূপন গোটে এই বাৰ্তাটো বিভ্ৰান্তিকৰ বুলি সদৰি কৰিছে। কোনো সামৰিক অভিযানৰ সময়ত নিহত অথবা আহত হোৱা সেনাৰ পৰিয়ালৰলৈ ততালিকে বিত্তীয় সাহায্য আগবঢ়োৱাৰ উদ্দেশ্যে চৰকাৰে সশস্ত্ৰ বাহিনী যুদ্ধত ক্ষতিগ্ৰস্তসকলৰ কল্যাণ পুঁজি - এ এফ বি চি ডব্লিঅ' এফ মুকলি কৰিছে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰবল বৃষ্টিপাত আৰু ধুমুহাই বিস্তৰ ক্ষতিসাধন কৰিছে। প্ৰচণ্ড ধুমুহাৰ ফলত ধুবুৰী নগৰৰ বহু অঞ্চলত বিদ্যুৎ সেৱা ব্যাহত হৈ পৰিছে। প্ৰবল বৃষ্টিপাত আৰু ধুমুহাৰ ফলত কেইবাটাও অঞ্চলত গছ-গছনি বাগৰি পৰাত যাতায়াত ব্যৱস্থাও ব্যাহত হৈ পৰিছে। এই বাতৰি যুগুতোৱা পৰলৈ ধুবুৰী নগৰৰ বহু অঞ্চলত বিদ্যুৎ যোগান বন্ধ হৈ আছে। বিদ্যুৎ যোগান ব্যাহত হৈ থকাৰ বাবে ধুবুৰী পৌৰসভাকে ধৰি জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগে বিশুদ্ধ খোৱাপানীৰ যোগান ধৰিব পৰা নাই।

ডিব্ৰুগড় জিলাৰ চাবুৱা লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত মদাৰখাট মৌজাত অহা প্ৰবল বৃষ্টিপাত আৰু ধুমুহাৰ ফলত বহু ঘৰ, বিদ্যালয়, নামঘৰকে ধৰি বহু সা-সম্পত্তিৰ বিস্তৰ ক্ষতি হৈছে। মদাৰখাটৰ হাতখোলা, হাবিচুক, ৰাঙলিটিং, টিমনা, তামুলবাৰী চাহ বাগিচাত ধুমুহাই ঘৰ-দুৱাৰ ভাঙি পেলোৱাৰ লগতে প্ৰকাণ্ড গছ উভালি পৰে। প্ৰচণ্ড ধুমুহাৰ ফলত খুঁটা বাগৰি বিদ্যুৎ সেৱাও ব্যাহত হৈ পৰিছে। তদুপৰি প্ৰবল বৃষ্টিপাত আৰু ধুমুহাৰ ফলত ৰবি শস্যৰ বিস্তৰ ক্ষতি হয়। গাঁওপ্ৰধান সকলে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শনৰ অন্তত ৰাজহ চক্ৰ বিষয়া তথা জিলা প্ৰশাসনৰ ওচৰত ক্ষয়-ক্ষতিৰ পৰিমাণ দাখিল কৰিছে।

০০০০০

তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে আজি কৰ্দৈগুৰি গাঁও পঞ্চায়ত এলেকাৰ খহনীয়া প্ৰবণ অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। জিলা আয়ুক্তগৰাকীয়ে খহনীয়াত ক্ষতিগ্ৰস্ত ৮টা পৰিয়ালৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকক পুনৰ সংস্থাপন দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। তেওঁ লগতে ক্ষতিগ্ৰস্ত পৰিয়ালকেইটাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজহচক্ৰ বিষয়াক নিৰ্দেশ দিয়ে। মথাউৰি মেৰামতি আৰু খহনীয়া ৰোধৰ কাম শীঘ্ৰেই আৰম্ভ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে।

০০০০০

নৰৱেৰ ৰাষ্ট্ৰদূত এইচ ই মিছ মে-এলিন ষ্টেনাৰৰ নেতৃত্বত অহা এটা প্ৰতিনিধি দলে আজি নগাঁৱত ৰূপায়িত হৈ থকা এনাক্ট-আছাম প্ৰকল্পৰ ক্ষেত্ৰসমূহ পৰিদৰ্শন কৰে। জিলাখনৰ তিনিটা উন্নয়ন খণ্ড ক্ৰমে কঠিয়াতলি, পাখিমৰীয়া আৰু ৰহাত ৰূপায়ণ হৈ থকা প্ৰকল্পস্থলী পৰিদৰ্শন কৰাৰ লগতে কৃষকসকলৰ সৈতে মত বিনিময় কৰে। প্ৰতিনিধি দলটোৱে নিজ কঠিয়াতলি গাঁও পঞ্চায়তৰ সভাগৃহত বাওধানৰ চাউল বজাৰৰ বাবে মুকলি এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ৰাষ্ট্ৰদূতগৰাকীৰ লগত ৰাজ্য চৰকাৰৰ কৃষি সঞ্চালক ড০ পি উদয় প্ৰবীন, অসম কৃষি বিশ্ববিদ্যালয়ৰ মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড০ হিৰণ্য কুমাৰ বৰা আৰু বিশ্ব খাদ্য কাৰ্যসূচীৰ জলবায়ু পৰিৱৰ্তনৰ প্ৰধান উপস্থিত থাকে। এই অনুষ্ঠানতে ৰাষ্ট্ৰদূতগৰাকীয়ে বাওধানৰ খেতিৰ লগত জড়িত ময়ূৰ উৎপাদক গোটৰ সদস্যসকলৰ লগতো মত বিনিময় কৰে। প্ৰতিনিধি দলটোৱে এনাক্ট-আছাম প্ৰকল্পৰ জৰিয়তে কৃষকৰ সুবিধাৰ্থে অসম কৃষি বিশ্ববিদ্যালয়ে কৰি অহা ভিডিঅ' কনফাৰেন্স আৰু উদ্ভিদৰ চিকিৎসা শিবিৰত যোগদান কৰি তাৰ পৰা কৃষকসকলে কিদৰে লাভান্বিত হ'ব সেই সন্দৰ্ভত বুজ লয়। আনহাতে ৰহা উন্নয়ন খণ্ডত এনাক্ট-আছাম প্ৰকল্পৰ অধীনত অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত পাহী

আত্মসহায়ক গোটে কৰা বিজ্ঞানসন্মত কাঠফুলা খেতি পৰিদৰ্শন কৰি মহিলা কৃষকসকলক এই কাৰ্যৰ বাবে প্ৰতিনিধি দলটোৱে প্ৰশংসা কৰে।

০০০০০

সকলোৰে বাবে জীৱনটো গোলাপৰ পাহিৰে সজোৱা বিচনাৰ দৰে নহয়। জীৱনত আছে বহু প্ৰত্যাহ্বান। ইয়াৰে কেতবোৰ প্ৰত্যাহ্বান জন্মগত আৰু আন কিছুমান আহে পৰৱৰ্তী কালত। এই প্ৰত্যাহ্বান নেওচিও কিদৰে সফলতাৰে জীৱন যাত্ৰাত আগুৱাব পাৰি, তাৰ কাহিনী লৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত দুৰাৰোগ্য বুলি ভবা ৰোগৰ বিৰুদ্ধে যুদ্ধ কৰি আৰু শাৰীৰিক বাধাগ্ৰস্ততাকো নেওচি জীৱন যুদ্ধত জয়ী হোৱা কেইবাগৰাকীও লোকক পৰিচয় কৰাই দিয়া হ'ব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত মুম্বাই ইণ্ডিয়ানছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক জয়ৰ বাবে ২১৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত হাৰি প্ৰথমে বেটিঙৰ আমন্ত্ৰণ লাভ কৰা মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২১৫ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ ৰায়ন ৰিকেল্টনে ৫৮, সূৰ্য কুমাৰ যাদৱে ৫৪, উইল জেকছে ২৯ আৰু নমন ধীৰে ২৫ ৰাণৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌৰ হৈ মায়ংক যাদৱ আৰু আভেশ খানে দুটাকৈ দখল কৰে।

প্ৰত্যুত্তৰত বাতৰি যুগুতোৱাৰ পৰলৈকে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৫ অভাৰত ৭টা উইকেট হেৰুৱাই ..... ৰাণ সংগ্ৰহ কৰি খেলি আছে।

ইপিনে দিল্লীত ক্ষন্তেক পিছতে হ'বলগীয়া আন এখন খেলত ডেলহী কেপিটেলছে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ডিব্ৰুগড়ৰ এজন জনপ্ৰিয় গায়ক মনোজ সেনগুপ্তাৰ আজি অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ তেওঁৰ বয়স হৈছিল ৭২ বছৰ।

০০০০০

সমাপ্ত